**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-06-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***:::::::::::::::::::::::::::::::::::::::::***

***HEADLINE***

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ লাডাখৰ লেহত উপস্থিত হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পেৰিছত ফ্ৰান্সৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতে উচ্চ পৰ্যায়ৰ এলানি বৈঠকত মিলিত হয়।

৩। **নীট ইউ জি**ৰ পুনৰ পৰীক্ষাৰ প্ৰস্তুতিৰ মূল্যায়নৰ বাবে আজি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

৪। মিজোৰামৰ একমাত্ৰ ৰাজ্যসভাৰ আসনখনৰ বাবে আজি মিজোৰাম বিধানসভাৰ মুঠ ৪০ গৰাকী সদস্যৰ ভিতৰত ৩৬গৰাকীয়ে ভোটদান কৰে।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত চেকিয়া, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে তিনি দিনীয়া ভ্ৰমণসূচীৰে কাইলৈ লাডাখৰ লেহত উপস্থিত হ'ব। চলিত মাহৰ ২১ তাৰিখলৈ এই কেন্দ্ৰীয় শাসিত অঞ্চলটোত প্ৰথম আনুষ্ঠানিক ভ্ৰমণ কাৰ্যসূচীত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লুকুং গাঁৱত উপস্থিত হৈ বিভিন্ন আত্মসহায়ক গোটৰ সদস্যৰ সৈতে মত বিনিময় কৰিব। ভাইব্ৰেণ্ট ভিলেজ প্ৰকল্পৰ অধীনত সীমান্ত অঞ্চলত উন্নয়নমূলক কামকাজৰ খতিয়ান গ্ৰহণ কৰিব। পাছলৈ উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে যুদ্ধ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ২১ জুন তাৰিখে শ্ৰী ৰাধাকৃষ্ণণে লেহত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত যুৱক-যুৱতী, শসস্ত্ৰ বাহিনীৰ জোৱানকে বিভিন্ন সংগঠনৰ সদস্যই অংশগ্ৰহণ কৰি যোগৰ জৰিয়তে সামগ্ৰিক স্বাস্থ্য আৰু মংগলৰ বাৰ্তা প্ৰেৰণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ফ্ৰান্সৰ মাজত অৰ্থনৈতিক আৰু ঔদ্যোগিক সহযোগিতা বৃদ্ধিৰ প্ৰচেষ্টাৰ অংশ হিচাপে আজি পেৰিছত ফ্ৰান্সৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতে উচ্চ পৰ্যায়ৰ এলানি বৈঠকত মিলিত হয়।

শ্ৰী মোদীয়ে ছেইণ্ট গোবনৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া বেনইট বাজিনক সাক্ষাৎ কৰে। আলোচনাত সামগ্ৰী আৰু নিৰ্মাণ খণ্ডৰ সুযোগ, সেউজ উৎপাদন আৰু বহনক্ষম আন্তঃগাঁথনি সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতত ছেইণ্ট গোবনৰ শক্তিশালী উপস্থিতি আৰু বিনিয়োগে ভাৰতীয় যুৱক-যুৱতীসকলৰ বাবে সুযোগ সৃষ্টি কৰিছে। ছেইণ্ট গোবনৰ অধ্যক্ষগৰাকীয়ে ভাৰতত অধিক বিনিয়োগ আৰু সম্প্ৰসাৰণৰ বাবে পৰিকল্পনা সন্দৰ্ভত মত ব্যক্ত কৰে।

ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অলষ্টমৰ মুখ্য কাৰ্যবাহী বিষয়া মাৰ্টিৰ ছিয়নক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে আহ-যাহৰ অত্যাধুনিক মাধ্যম আৰু ৰে'লৰ আধুনিকীকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ সময়ছোৱাত শ্ৰী মোদীয়ে ভাৰতত অলষ্ট্ৰমৰ উল্লেখযোগ্য বিনিয়োগ আৰু শক্তিশালী উপস্থিতিয়ে ভাৰতৰ ৰে'ল খণ্ডৰ আধুনিকীকৰণ আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয়, যে বিগত ১২ বছৰত ভাৰতৰ পৰিৱৰ্তনৰ কাহিনী এই দেশৰ যুৱক-যুৱতীসকলৰ উন্নয়নে প্ৰতিনিধিত্ব কৰে। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াৰ প্ৰকাশিত এটা লেখা আজি সামাজিক মাধ্যমৰ জৰিয়তে শ্বেয়াৰ কৰি শ্ৰী মোদীয়ে এইদৰে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ দৃষ্টি-ভংগী, দক্ষতা, উদ্ভাৱন আৰু উদ্যোগীকৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য বিনিয়োগৰ দ্বাৰা পৰিচালিত হৈ দেশখনে অমৃত প্ৰজন্মৰ বাবে তেওঁলোকৰ আকাংক্ষা বাস্তবায়িত কৰাৰ সুযোগ সৃষ্টি কৰিছে।

উল্লেখযোগ্য যে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই বিগত দশকত ভাৰতে শিক্ষা, দক্ষতা, উদ্যমিতা, ক্ৰীড়া, স্বাস্থ্য আৰু অসামৰিক অংশগ্ৰহণৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলৰ বাবে সুযোগ বৃদ্ধি কৰিছে বুলি প্ৰকাশ কৰিছে। এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত প্ৰকাশিত এটা লেখাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশৰ যুৱচামক অমৃত প্ৰজন্ম বুলি উল্লেখ কৰি কয়, যে এই প্ৰজন্মই বিকশিত ভাৰত ২০৪৭ৰ যাত্ৰাক নেতৃত্ব দিব। শ্ৰীমন্দাভিয়াই উল্লেখ কৰে যে বিকশিত ভাৰতৰ বাবে যুৱচামক চালিকা শক্তি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বাস কৰে।

ooooo

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত আজি অহা দেওবাৰে অনুষ্ঠিত হ'বলগীয়া **নীট ইউ জি**ৰ পুনৰ পৰীক্ষাৰ প্ৰস্তুতিৰ মূল্যায়নৰ বাবে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকখনত মন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ ব্যৱস্থাটো সততা, স্বচ্ছতা আৰু দক্ষতাৰ মান বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পুনৰ পৰীক্ষাৰ আসোঁৱাহমুক্ত আৰু সঠিক পৰিচালনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা অনুষ্ঠিত কৰিবলৈ তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে কয়, যে শিক্ষা মন্ত্ৰালয়ে নিযুক্তি প্ৰদান কৰা বিষয়াসকলক পৰীক্ষা ব্যৱস্থাটোৰ বিভিন্ন কামকাজত সমন্বয় ৰক্ষাৰ বাবে বিভিন্ন ৰাজ্যত নিয়োগ কৰা হ'ব আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধানৰ নেতৃত্বত গঠিত কেন্দ্ৰত প্ৰতিবেদন দাখিল কৰা হ'ব।

বৈঠকৰ সময়ত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পৰীক্ষাৰ্থীসকলক মানসিক চাপমুক্ত পৰিৱেশত পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ উপযুক্ত আসনৰ ব্যৱস্থা, খোৱাপানী, নিৰাপত্তা ব্যৱস্থা, অভিযোগ নিৰাময় ব্যৱস্থাকে ধৰি বিভিন্ন ক্ষেত্ৰত প্ৰয়োজনীয় সুবিধা প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ কোৱা হয়।

এই সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান অভিষেক সিঙে পৰীক্ষা সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে জিলা প্ৰশাসন, আৰক্ষী বিভাগ আৰু চোৰাংচোৱা সংস্থাসমূহৰ সৈতে যোগাযোগ অব্যাহত ৰাখি আছে বুলি অৱগত কৰে।

বৈঠকত শিক্ষা মন্ত্ৰ্যালয়, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা আৰু বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ জ্যেষ্ঠ বিষয়াসকলকে ধৰি প্ৰায় ২২০ গৰাকীতকৈ অধিক বিষয়াই সভাত অংশগ্ৰহণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ হুগলী জিলাৰ তাৰকেশ্বৰত পৰহিলৈ **প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনি**ৰ ২৩ সংখ্যক কিস্তি মুকলি কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰ্যালয়ে জনায় যে, এই আঁচনিৰ অধীনত সমগ্ৰ দেশৰ প্ৰায় ৯ কোটি ৪৪ লাখ কৃষকৰ বেংক একাউণ্টত পোনপটীয়াকৈ ১৮ হাজাৰ ৮৮০ কোটিতকৈও অধিক টকা জমা হ'ব। এই আঁচনিৰ জৰিয়তে প্ৰায় দুই কোটি ১৮ লাখ মহিলা কৃষকো উপকৃত হ'ব। মন্ত্ৰালয়ে জনায় যে, ২০১৯ বৰ্ষত আৰম্ভ হোৱা এই আঁচনিৰ জৰিয়তে এতিয়ালৈকে চাৰি কোটি ৪৪ লাখ টকা কৃষকৰ একাউণ্টত জনা কৰা হৈছে। এই অনুষ্ঠানত প্ৰধাৰমন্ত্ৰীগৰীয়ে লগতে পশ্চিমবংগৰ কেইবাটাও গুৰুত্বপূৰ্ণ কৃষি প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা অন্যতম। শ্ৰী মোদীয়ে লগতে ডিজিটেল কৃষি মিছনৰ অধীনত এগ্ৰিষ্টেক মুকলি কৰিব। উল্লেখযোগ্য যে, এই প্লেটফৰ্মৰ জৰিয়তে শস্য বীমা, ঋণ, সাৰ বিতৰণ আদিৰ দৰে সেৱাসমূহ কৃষকসকলৰ বাবে সহজতে উপলব্দ। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনত প্ৰাকৃতিক কৃষি পদ্ধতিৰ ৰাষ্ট্ৰীয় মিছনৰ উদ্বোধন কৰিব। ইয়াৰ উপৰি পুৰুলীয়া, দাৰ্জিলিং, আলিপুৰদুৱাৰ আৰু ঝাৰগ্ৰাম জিলাত কৃষিৰ ক্ষেত্ৰত উৎপাদনশীলতা বৃদ্ধি, জনসিঞ্চন, আন্তঃগাঁথনি শক্তিশালী কৰা, কৃষকৰ আনুষ্ঠানিক ঋণৰ সুবিধা উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী ধন্যধান্য কৃষি যোজনা মুকলি কৰিব। কৃষি মন্ত্ৰ্যালয়ে জনায় যে, সমগ্ৰ দেশত পি এম কিষাণ উৎসৱ দিৱস হিচাপে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব, য'ত এক কোটিৰো অধিক কৃষকে ভিডিঅ কনফাৰেন্সিঙৰ জৰিয়তে মূল অনুষ্ঠানত ভাগ ল'ব।

০০০০০

মিজোৰামৰ একমাত্ৰ ৰাজ্যসভাৰ আসনখনৰ বাবে আজি মিজোৰাম বিধানসভাৰ মুঠ ৪০ গৰাকী সদস্যৰ ভিতৰত ৩৬গৰাকীয়ে ভোটদান কৰে। এগৰাকী চৰকাৰী বিষয়াই জনোৱা মতে ৰাজ্যখনৰ বিধানসভা প্ৰাংগনত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত পুৱা ৯ বজাৰ পৰা ভোটগ্ৰহণ অনুষ্ঠিত হয়। বিয়লি ৪ বজাত ভোটগ্ৰহণৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও দিনৰ প্ৰায় ১১ বজাতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হয়। মুখ্যমন্ত্ৰী লালদুহোমা আৰু গৃহমন্ত্ৰী কে ছাপদাংগাকে ধৰি শাসনাধিষ্ঠিত জোৰাম পিপ্‌লছ ম'ভমেণ্টৰ ২৬ জন সদস্য আৰু বিৰোধী মিজো নেচনেল ফ্ৰণ্টৰ ১০জন বিধায়কে ভোটদান কৰে। বিজেপিৰ দুজন বিধায়ক আৰু কংগ্ৰেছৰ একমাত্ৰ বিধায়কজন ভোটগ্ৰহণৰ পৰা বিৰত থকাৰ বিপৰীতে জোৰাম পিপ্‌লছ ম'ভমেণ্ট দলৰ এজন বিধায়ক স্বাস্থ্যজনিত কাৰণৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰিলে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কয়, যে দেশৰ সকলো তেল শোধনাগাৰে প্ৰয়োজনীয় উচ্চ ক্ষমতাৰে কাম কৰি আছে আৰু পেট্ৰ'ল আৰু ডিজেলো পৰ্যপ্ত পৰিমাণে মজুত ৰখা হৈছে। আজি নতুন দিল্লীত পশ্চিম এছিয়াৰ শেহতীয়া পৰিঘটনা সন্দৰ্ভত আন্তঃমন্ত্ৰ্যালয় পৰ্যায়ৰ এখন বৈঠকত ভাষণ প্ৰদান কৰি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া

সচিব সুজাতা শৰ্মা ই কয়, যে বিগত তিনিদিনত এক দশমিত ৩-৬ কোটি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বুকিং লাভ কৰা হৈছে আৰু এক দশমিক ৪-৭ কোটি চিলিণ্ডাৰ বিতৰণ কৰা হৈছে। এই সময়ছোৱাত প্ৰায় ২২ হাজাৰ ৯৪৫ টন বাণিজ্যিক এল পি জি চিলিণ্ডাৰ বিক্ৰী কৰা হৈছে। পি এন জিৰ সম্প্ৰসাৰণ সন্দৰ্ভত সচিবগৰাকীয়ে কয়, যে মাৰ্চৰ পৰা এতিয়ালৈকে ১০ দশমিক ০-২ লাখ পি এন জিৰ সংযোগ কৰা হৈছে আৰু ৩ .২২ লাখ অতিৰিক্ত সংযোগৰ বাবে আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। তদুপৰি ৯ দশমিক ৯-৪ লাখ নতুন গ্ৰাহকে এই ব্যৱস্থাৰ বাবে পঞ্জীয়ন কৰিছে।

ooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আমেৰিকাৰ আটলাণ্টা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত চেকিয়া, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। চেকিয়াই ইয়াৰ পূৰ্বে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত আজিৰ খেলত পইণ্ট জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। একেদৰে দক্ষিণ আফ্ৰিকাইও পূৰ্বৰ খেলত মেক্সিকোৰ হাতত ২-০ গ'লত পৰাস্ত হোৱাৰ পাছত প্ৰতিযোগিতাত প্ৰথমটো পইণ্ট অৰ্জনৰ বাবে চেষ্টা চলাব। প্ৰতিযোগিতাত ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া আন এখন খেলত ছুইজাৰলেণ্ড, বছনিয়া আৰু হাৰ্জেগোভিনা বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ